**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 8-03-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৰ্মশক্তিত মহিলাৰ অধিক অংশগ্ৰহণত গুৰুত্ব আৰোপ কৰিছে।

২। বৰ্তমান চৰকাৰ মহিলা সৱলীকৰণৰ প্ৰতি বদ্ধপৰিকৰ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

৩। ৰাছিয়াই যোৱা নিশা ইউক্ৰেইনৰ ওপৰত চলোৱা আক্ৰমণত ১৪ লোকে প্ৰাণ হেৰুৱাইছে।

৪। ভাৰতীয় মহিলা কাবাডীৰ দলে পঞ্চমবাৰৰ বাবে এছিয়ান মহিলা কাবাডী প্ৰতিযোগিতাৰ খিতাপ অৰ্জন কৰিছে।

*আৰু*

৫। ভাৰত কাইলৈ ডুবাইত হ'বলগীয়া আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

আজি আন্তৰ্জাতিক নাৰী দিৱস। এই দিনটোত দেশ, ভাষা সংস্কৃতি, অৰ্থনীতি অথবা ৰাজনৈতিক পৰিধি নিৰ্বিশেষ বিভিন্ন ক্ষেত্ৰত সাফল্য লাভ কৰা মহিলাসকলক স্বীকৃতি প্ৰদান কৰা হয়। এই বছৰ আন্তৰ্জাতিক নাৰী দিৱসৰ মূল বিষয়বস্তু হৈছে সকলো মহিলা আৰু কন্যাৰ বাবে অধিকাৰ, ক্ষমতা আৰু সৱলীকৰণ। এই বিষয়বস্তুৰ জৰিয়তে সকলোৰে বাবে সমান অধিকাৰ আৰু সুযোগৰ দ্বাৰ মুকলি কৰাৰ লগতে সৰ্বাত্মক ভৱিষ্যৎ সুনিশ্চিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাৱো হৈছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৰ্মশক্তিত মহিলাৰ অধিক অংশগ্ৰহণত গুৰুত্ব আৰোপ কৰিছে। ভাৰত বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থা হ'বলৈ ওলোৱাৰ বাবে এনে আৱশ্যকতা জৰুৰী বুলিও ৰাষ্ট্ৰপতি মুৰ্মুৱে উল্লেখ কৰিছে। আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আজি নতুন দিল্লীত নাৰী শক্তিৰ জৰিয়তে বিকশিত ভাৰত বিষয়বস্তুৰে আয়োজিত এখন দিনজোৰা সন্মিলনত ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে দেশৰ কন্যাসকলে বিকশিত ভাৰতৰ লক্ষ্য বাস্তবায়িত কৰাৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তেওঁ লগতে মহিলাৰ প্ৰগতিৰ বাবে সহায়ক বাতাবৰণ গঢ়ি তোলাৰ ক্ষেত্ৰত সমাজৰ ভূমিকাৰ বিষয়েও আলোকপাত কৰে।

ৰাষ্ট্ৰপতি মুৰ্মুৱে কয়, যে কেন্দ্ৰীয় চৰকাৰে মহিলাসকলক ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিকভাৱে সৱল কৰি তোলাৰ লগতে উন্নত ভাৰত গঢ়াৰ লক্ষ্যত নেতৃত্ব প্ৰদান কৰিব পৰাকৈ সমৰ্থ কৰি তোলাৰ বাবে অহৰহ কাম কৰি আছে। তেওঁ নাৰী শক্তি বন্দনা অধীনিয়মৰ জৰিয়তে লোকসভা আৰু

বিধানসভাত মহিলাৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থাক ঐতিহাসিক বুলি অভিহিত কৰে। মহিলাসকলক আত্মসহায়ক গোটৰ সৈতে জড়িত কৰা, আৰ্থিক স্বাৱলম্বিতাৰ বাবে লাখপতি বাইদেউ কাৰ্যসূচী ৰূপায়ণ আৰু নমো ড্ৰোন যোজনাৰ লেখীয়া চৰকাৰে গ্ৰহণ কৰা বিভিন্ন প্ৰচেষ্টাৰ বাবে মহিলাসকল বিভিন্ন ক্ষেত্ৰত আত্মবিশ্বসাৰ সৈতে আগবাঢ়িছে আৰু সফলতা নতুন শিখৰত উপনীত হৈছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। শ্ৰী মতী মুৰ্মুৱে কয়, যে আন্তৰ্জাতিক নাৰী দিৱস মহিলাসকলৰ অমূল্য অৱদানৰ প্ৰতি সন্মান জনোৱা আৰু লিংগ সমতাৰ অৱধাৰণা সুদৃঢ় কৰাৰ এটা উপলক্ষ্য।

কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুনৰাম মেঘৱাল আৰু মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীও এই সন্মিলনত ভাষণ দিয়ে।

০০০০০

বৰ্তমান চৰকাৰ মহিলা সৱলীকৰণৰ প্ৰতি বদ্ধপৰিকৰ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আজি গুজৰাটৰ নৱছাৰিত আয়োজিত লাখপতি বাইদেউ সন্মিলনত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে এইদৰে মন্তব্য কৰে। মহিলাসকলৰ জীৱনৰ মান উন্নত কৰাৰ বাবে লোৱা গুৰুত্বপূৰ্ণ পদক্ষেপৰ বিষয়ে আলোকপাত কৰি শ্ৰী মোদীয়ে কয়, যে ভাৰত মহিলাৰ নেতৃত্বত বিকাশৰ দিশে অগ্ৰসৰ হৈছে। তেওঁ কয়, যে চৰকাৰে প্ৰতিটো পদক্ষেপত মহিলাৰ মৰ্যাদা আৰু কল্যাণত সৰ্বাধিক গুৰুত্ব আৰোপ কৰি আহিছে। তেওঁ লগতে কয়, যে চৰকাৰে সমগ্ৰ দেশত হাজাৰ হাজাৰ শৌচালয় নিৰ্মাণ কৰিছে আৰু ইয়াৰ জৰিয়তে মহিলাসকলৰ বাবে বুনিয়াদী অনাময় সুবিধা সুলভ হৈ পৰিছে আৰু তেওঁলোকৰ  ব্যক্তিগত গোপনীয়তা নিশ্চিত হৈছে। ইয়াৰ ফলস্বৰূপে মহিলাসকলৰ মৰ্যাদাও বৃদ্ধি পাইছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰী মোদীয়ে কয়, যে সমাজৰ সকলো খণ্ডতে মহিলা সৱলীকৰণৰ স্পষ্ট ছবি দেখিবলৈ পোৱা গৈছে আৰু বিশ্বই ভাৰতীয় মহিলাসকলৰ শক্তিৰ কথা স্বীকাৰ কৰিছে। ৰাষ্ট্ৰৰ উন্নয়নত মহিলা আত্মসহায়ক গোটৰ ভূমিকাক প্ৰশংসা কৰি প্ৰধানমনন্ত্ৰীয়ে মহিলা সৱলীকৰণৰ প্ৰচেষ্টাৰ অংশ হিচাপে চৰকাৰে পৰৱৰ্তী ৫ বছৰত তিনি কোটি মহিলাক লাখপতি বাইদেউ হিচাপে গঢ়ি তুলিব বুলি ঘোষণা কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে যোৱা দশকত মহিলা সুৰক্ষা বৃদ্ধিৰ ক্ষেত্ৰত চৰকাৰে লাভ কৰা সাফল্যৰ বিষয়ে আলোকপাত কৰে। এই সন্দৰ্ভত শ্ৰী মোদীয়ে মহিলাৰ অধিকাৰ সুৰক্ষিত কৰাৰ উদ্দেশ্যে যুগুতাই উলিওৱা নতুন ফৌজদাৰী আইন কেইখনৰ ৰূপায়ণৰ কথা উল্লেখ কৰে। তেওঁ কয়, যে বিগত কেইটামান বছৰ বিভিন্ন ক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণ চকুত লগা ধৰণে বৃদ্ধি পাইছে। তেওঁ গুজৰাটৰ সমবায় আৰ্হি, বিশেষকৈ শ্বেত বিপ্লব আৰু মহিলাৰ নেতৃত্বত গঢ়ি উঠা পানী কমিটি সমূহক ভূয়সী প্ৰশংসা কৰে।

লাখপতি বাইদেউ সন্মিলনত প্ৰধানমন্ত্ৰীয়ে ২৫ হাজাৰৰো অধিক আত্মসহায়ক গোটৰ আঢ়ৈ লাখৰো অধিক মহিলাক ৪৫০ কোটি টকাৰ বিত্তীয় সাহায্য প্ৰদান কৰে। শ্ৰী মোদীয়ে লগতে ৫ গৰাকী লাখপতি বাইদেউক প্ৰমানপত্ৰ প্ৰদান কৰি সন্মানিত কৰে।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে নৱচাৰী জিলাত লাখপতি বাইদেউ আঁচনিৰ ১০ গৰাকী হিতাধিকাৰীৰ সৈতে মত বিনিময় কৰে। এই কথোপকথনত হিতাধিকাৰী মহিলা কেইগৰাকীয়ে নিজৰ অভিজ্ঞতাৰ বিষয়ে প্ৰধানমন্ত্ৰী অৱগত কৰে। মত বিনিময়ৰ সময়ত গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল আৰু নৱচাৰীৰ সাংসদ চি

আৰ পাটিল উপস্থিত থাকে। মহিলাসকলৰ মাজত উদ্যমশীলতাৰ প্ৰসাৰ আৰু তেওঁলোকৰ বিত্তীয় সৱলীকৰণৰ উদ্দেশ্যে ২০২৩ চনত লাখপতি বাইদেউ আঁচনিখন প্ৰণয়ন কৰা হৈছিল। ইয়াৰ অধীনত কৃষি, পশুপালন আৰু ক্ষুদ্ৰ উদ্যোগৰ দৰে বিভিন্ন ক্ষেত্ৰৰ পৰা বছৰি কমেও এক লাখ টকা উপাৰ্জন কৰা আত্মসহায়ক গোটৰ মহিলা সদস্যসকলক লাখপতি বাইদেউ হিচাপে স্বীকৃতি প্ৰদান কৰা হয়। এই মহিলাসকলে আৰ্থিক সাহায্যৰ লগতে বৃত্তিগত প্ৰশিক্ষণো লাভ কৰে।

০০০০০

যোৱা নিশা ইউক্ৰেইনৰ ওপৰত ৰাছিয়াই চলোৱা আক্ৰমণত ১৪ জন লোকৰ মৃত্যু হোৱাৰ লগতে আন কেইবাজনো লোক আহত হৈছে। ইউক্ৰেইনৰ গৃহবিভাগৰ সূত্ৰই জনোৱা মতে ৰাছিয়াৰ সেনাবাহিনীয়ে বেলিষ্টিক মিছাইল, একাধিক ৰকেট আৰু ড্ৰ'নেৰে আক্ৰমণ কৰাৰ ফলত আঠটা বহুমহলীয়া অট্টালিকা আৰু ৩০খন বাহনৰ ক্ষতিসাধন হয়। সূত্ৰটোৱে আৰু জনোৱামতে এই আক্ৰমনত ডনেটস্ক অঞ্চলতো আঠটা আৱাসিক ভৱন আৰু এটা প্ৰশাসনিক ভৱন ক্ষতিগ্ৰস্ত হৈছে। উল্লেখযোগ্য যে কালি ৰাছিয়াই কৰা ক্ষেপণাস্ত্ৰ আক্ৰমণৰ ফলত ইউক্ৰেইনৰ গেছ আৰু শক্তিখণ্ডৰ আন্তঃগাঁথনিৰ ব্যাপক ক্ষতিসাধন হয়। ইয়াৰ পিছতে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিয়ে আকাশী পথ আৰু সাগৰীয় ক্ষেত্ৰত যুদ্ধবিৰতিৰ আহ্বান জনাইছে।

উল্লেখযোগ্য যে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইউক্ৰেইনৰ সৈতে তথ্যৰ আদান প্ৰদান বন্ধ কৰিবলৈ নিৰ্দেশ দিয়াৰ পিছতে কালি আমেৰিকাৰ মহাকাশ প্ৰতিষ্ঠান মেক্সাৰ টেকন'লজিছে পূৰ্বতে ইউক্ৰেইনলৈ প্ৰেৰণ কৰা উপগ্ৰহীয় তথ্য প্ৰেৰণ প্ৰক্ৰিয়া সম্পূৰ্ণ ৰূপে বন্ধ কৰি দিয়ে। ইয়াৰ পিছতে আক্ৰমণ প্ৰতিহত কৰাৰ ক্ষেত্ৰত ইউক্ৰেইন যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। ইফালে, ৰাছিয়াৰ লেনিনগ্ৰাড অঞ্চলৰ গৱৰ্ণৰ আলেকজেণ্ডাৰ ড্ৰ'জডেংকোৱে আজি জনোৱা মতে ৰাছিয়াৰ অন্যতম বৃহৎ শোধনাগাৰ হিচাপে পৰিচিত কিৰিছি শোধনাগাৰৰ এটা টেংক ইউক্ৰেইনৰ এখন ড্ৰ'ন ৰাছিয়াই গুলীয়াই ভূপতিত কৰাৰ ফলত ধ্বংসাৱশেষ পৰি ক্ষতিগ্ৰস্ত হৈছে।

০০০০০

ছিৰিয়াৰ উপকূলীয় অঞ্চল লাটাকিয়াত আজি পুৰা চিৰিয়া সেনা আৰু উগ্ৰবাদী সংগঠন বাছাৰ আল আছাদৰ মাজত হোৱা যুদ্ধত ৫০০ৰো অধিক লোকৰ মৃত্যু হৈছে। ব্ৰিটেইনত থকা ছিৰিয়াৰ মানৱ অধিকাৰ নিৰীক্ষণ সংস্থাৰ তথ্য অনুসৰি এই যুদ্ধত কমেও ১২০ জন বিদ্ৰোহীৰ লগতে ৯৩ জন চিৰিয়ান সেনা নিহত হৈছে। তদুপৰি এই

সংঘৰ্ষত কমেও আন  ৩৩০ জন লোক নিহত হৈছে। চিৰিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ এগৰাকী মুখপাত্ৰই কয় যে চৰকাৰী বাহিনীয়ে স্থলভাগৰ ভিভিন্ন অঞ্চলত ক্ষীপ্ৰতাৰে নিয়ন্ত্ৰণ নিজৰ হাতলৈ আনিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে যোৱা বৃহস্পতিবাৰে জাবলেহ নামৰ অঞ্চলটোত প্ৰথমে দুয়োপক্ষৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত হৈছিল পৰৱৰ্তী সময়ত এই সংঘৰ্ষ দেশখনৰ উপকূলীয় অঞ্চললৈ বিয়পি পৰে।

ooooo

পাকিস্তানে সকলো বৈধ আফগান প্ৰব্ৰজনকাৰীক ৩১ মাৰ্চৰ ভিতৰত দেশ ত্যাগ কৰিবলৈ নিৰ্দেশ দিছে। আফগানিস্তানৰ শৰণাৰ্থী আৰু প্ৰত্যৰ্পন মন্ত্ৰ্যালয়ে পাকিস্তান চৰকাৰক আফগান নাগৰিকসকলক বিতাৰণ কৰাৰ প্ৰক্ৰিয়া মন্থৰ কৰিবলৈ আহ্বান জনোৱাৰ এদিন পাছতে পাকিস্তানে এই নিৰ্দেশ জাৰি কৰিছে। নিৰ্দেশ অনুসৰি আফগান নাগৰিক কাৰ্ড থকা লোকসকলক পৰৱৰ্তী তিনি সপ্তাহৰ ভিতৰত দেশ ত্যাগ কৰিবলৈ কোৱা হৈছে। নিৰ্দেশটোত পহিলা এপ্ৰিলৰ পৰা বৈধ প্ৰব্ৰনকাৰীসকলক বিতাৰণৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি উল্লেখ কৰা হৈছে। পাকিস্তানৰ সংবাদ মাধ্যমে প্ৰকাশ কৰা মতে এই নিৰ্দেশৰ ফলত দেশখনত  বাস কৰা প্ৰায় ৯ লাখ আফগান প্ৰব্ৰজনকাৰী প্ৰভাৱিত হয়।

ooooo

ভাৰত কাইলৈ ডুবাইত হ'বলগীয়া আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। ভাৰতে  মঙলবাৰে ডুবাইত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত  অষ্ট্ৰেলিয়াক ৪ উইকেটত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। ইপিনে নিউজিলেণ্ডে বুধবাৰে লাহোৰত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত  দক্ষিণ আফ্ৰিকাক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। ফাইনেল খেলখনক লৈ ডুবাইত অভূতপূৰ্ব উৎসাহ পৰিলক্ষিত হৈছে।

ooooo

ভাৰতীয় মহিলা কাবাডীৰ দলে পঞ্চমবাৰৰ বাবে এছিয়ান মহিলা কাবাডী প্ৰতিযোগিতাৰ খিতাপ অৰ্জন কৰিছে। যোৱা বাৰৰ ছেম্পিয়ন ভাৰতে আজি বিয়লি টেহেৰানত অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেলত আয়োজক দেশ ইৰাণক ৩২-২৫ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰে।

ooooo

সমাপ্ত